**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2023
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

১) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এছিয়ান গেমছত অংশগ্ৰহণ  কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে মত-বিনিময় কৰিব।

২) প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গুইড' ক্ৰুছেট'ৰ সৈতে প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা সম্পৰ্কে আলোচনা কৰে।

৩) অসম চৰকাৰে আনুমানিক ৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে অসমমালা প্ৰকল্পৰ অধীনত নতুন এহেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ হাইস্পীড ইক'নমিক ক'ৰিডৰত নীতিগতভাৱে অনুমোদন জনাইছে।

৪) ইজৰাইল আৰু পেলেষ্টাইনৰ সন্ত্ৰাসবাদী সংগঠন হামাছৰ মাজৰ সংঘৰ্ষত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৬০০লৈ বৃদ্ধি পাইছে।

*আৰু*

৫) ইংলেণ্ড সম্প্ৰতি হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশৰ সন্মুখীন হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এছিয়ান গেমছত অংশগ্ৰহণ  কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে মত-বিনিময় কৰিব। তেওঁ খেলুৱৈসকলক সম্বোধনো কৰিব। প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ এছিয়ান গেমছত অভূতপূৰ্ব সাফল্যৰ বাবে অভিনন্দন জনোৱা আৰু ভৱিষ্যতৰ প্ৰতিযোগিতাৰ বাবে খেলুৱৈসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰিছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত ২৮টা স্বৰ্ণসহ মুঠ ১০৭টা পদক লাভ কৰিছে। পদকৰ মুঠ সংখ্যাৰে এছিয়ান গেমছত এয়া ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। এই অভূতপূৰ্ব সাফল্যৰ বাবে ভাৰতীয় দলক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীয়ে খেলুৱৈসকলে প্ৰেৰণাদায়ক প্ৰদৰ্শনৰে ইতিহাস ৰচা আৰু দেশবাসীৰ হৃদয় গৌৰৱেৰে ওপচাই পেলোৱা বুলি উল্লেখ কৰিছিল। অনুষ্ঠানত এছিয়ান গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ এথলীট, প্ৰশিক্ষক, ভাৰতীয় অলিম্পিক সংস্থাৰ বিষয়ববীয়া আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া সংঘৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি ইটালীৰ আনুষ্ঠানিক ভ্ৰমণৰ প্ৰথম দিনাই ৰোমত ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গুইড' ক্ৰুছেট'ৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতাৰ সুযোগ সম্পৰ্কে আলোচনা কৰে। আৰু দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধিৰ বাবে চুক্তি স্বাক্ষৰ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ইটালীৰ প্ৰতিৰক্ষা কোম্পানীসমূহৰ সৈতে ভাৰতীয় ষ্টাৰ্টআপসমূহৰ পাৰস্পৰিক

কাৰ্যকলাপক লাভান্বিত কৰাৰ পৰামৰ্শ আগবঢ়ায় আৰু চুক্তি স্বাক্ষৰিত কৰে। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ৰ মতে দুয়োপক্ষই প্ৰতিৰক্ষা সহযোগিতাৰ বিষয়সমূহৰ অধীনত প্ৰশিক্ষণ, তথ্য বিনিময়, সামুদ্ৰিক অনুশীলন আৰু সামুদ্ৰিক নিৰাপত্তাৰ বিষয়েও আলোচনা কৰে। ইয়াত কোৱা হৈছে যে, প্ৰতিৰক্ষাৰ সহযোগিতাৰ চুক্তিৰ ভিতৰত আছে নিৰাপত্তা আৰু প্ৰতিৰক্ষা নীতি, গৱেষণা আৰু উন্নয়ন, সামৰিক শিক্ষা, সমুদ্ৰ পৃষ্ঠত সজাগতা, প্ৰতিৰক্ষা তথ্য-বিনিময় আৰু ঔদ্যোগিক সহযোগিতা। ইয়াৰ উপৰিও সহ-উন্নয়ন, সহ-উৎপাদন আৰু যৌথভাৱে উদ্যোগ প্ৰতিষ্ঠা কৰাৰ কথাও অন্তৰ্ভুক্ত আছে।

০০০০

কেন্দ্ৰীয় বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজিৰে পৰা মৰক্কোৰ মাৰাকেছলৈ আনুষ্ঠানিক ভ্ৰমণ আৰম্ভ কৰে। জি-টুৱেণ্টী FMCBGৰ বৈঠকৰ লগতে বিশ্ব বেংক গোট আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। সমগ্ৰ বিশ্বৰ বিত্তমন্ত্ৰী আৰু কেন্দ্ৰীয় বেংকসমূহে এই বাৰ্ষিক বৈঠকত ভাগ ল'ব। বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণ আৰু ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰ শক্তিকান্ত দাসে এই চতুৰ্থ জি-টুৱেণ্টী বিত্তমন্ত্ৰী আৰু কেন্দ্ৰীয় বেংকৰ বৈঠকত যুটীয়াভাৱে সভাপতিত্ব কৰিব।

বিত্তমন্ত্ৰীগৰাকীয়ে মাৰাকেছত ১১ৰ পৰা ১৫ অক্টোবৰলৈ অন্যান্য নিৰ্ধাৰিত বৈঠকসমূহৰ উপৰিও ইণ্ডোনেছিয়া, মৰক্কো, ব্ৰাজিল, জাৰ্মানী আৰু ফ্ৰান্সৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব।

০০০০

অসম চৰকাৰে আনুমানিক ৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে অসমমালা প্ৰকল্পৰ অধীনত নতুন এহেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ হাইস্পীড ইক'নমিক ক'ৰিডৰত নীতিগতভাৱে অনুমোদন জনাইছে। গুৱাহাটীত কালি অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে লগতে গ্ৰামাঞ্চলৰ ৯০টা পথ আৰু ৪ খন দলঙৰ উন্নয়নৰ বাবে নাবাৰ্ডৰ পৰা ৯৫০ কোটি ৪৩ লাখ টকাৰ ঋণ সংগ্ৰহৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

ইয়াৰ উপৰি কেবিনেটে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি ভেৰজান বৰাজান পদুমণি বন্য প্ৰাণী অভয়াৰণ্যৰ চৌপাশে এক কিলোমিটাৰ দূৰত্বলৈকে পৰিৱেশ সংবেদনশীল অঞ্চল হিচাপে ঘোষণা কৰিবলৈ সংশোধিত খচৰা অধিসূচনাত অনুমোদন জনায়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ছিকিমৰ আকস্মিক বানত প্ৰাণ হেৰুওৱা বাক্সাৰ আনন্দবজাৰ হাটখোলাৰ সেনাজোৱান মিতু কলিতাৰ বাসগৃহত উপস্থিত হৈ জোৱানগৰাকীৰ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে প্ৰয়াত মিতু কলিতাৰ পিতৃ-মাতৃ আৰু ভাতৃৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ উপায়ুক্তৰ জৰিয়তে জোৱানগৰাকীৰ পৰিয়ালবৰ্গলৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে। মিতু কলিতাৰ পৰিয়ালক ৰাজ্য চৰকাৰৰ ফালৰ পৰা অধিক সাহায্য প্ৰদানৰ বিষয়ে পৰৱৰ্তী সময়ত সেনা বাহিনীৰ সৈতে আলোচনাত মিলিত হৈ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে মিতু কলিতাৰ গৃহলৈ যোৱা পথটি জোৱানগৰাকীৰ নামেৰে নামকৰণ কৰাৰ বিষয়ে পৰৱৰ্তী সময়ত চিন্তা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০

ইজৰাইল আৰু পেলেষ্টাইনৰ সন্ত্ৰাসবাদী সংগঠন হামাছৰ মাজৰ সংঘৰ্ষত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৬০০লৈ বৃদ্ধি পাইছে। বিভিন্ন সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ইজৰাইলত ৯০০ৰো অধিক লোক নিহত হৈছে আৰু কমেও দুহেজাৰ ৬০০ জন আহত হৈছে। হামাছে ভালেসংখ্যক লোকক বন্দী কৰি ৰাখিছে বুলিও সংবাদ মাধ্যমে প্ৰকাশ কৰিছে। ইয়াৰ বিপৰীতে পেলেষ্টাইনত কমেও ৬৮৭ জন নিহত হৈছে আৰু ৩ হাজাৰ ৭২৬ জন আহত হৈছে। ইজৰাইলে গাজা অঞ্চলক সম্পূৰ্ণৰূপে ঘেৰি ধৰিবলৈ আৰু খাদ্য-ইন্ধন তথা অন্য সামগ্ৰীৰ যোগান বন্ধ কৰিবলৈ কৈছে। ইজৰাইলে অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰি ৩ লাখ আৰক্ষী কৰ্মীক কামলৈ আহিবলৈ কৈছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৱে হামাছাৰ বিৰুদ্ধে শিশু হত্যা আৰু উৎপীড়নৰ অভিযোগ তুলি সংগঠনটোৰ বিৰুদ্ধে প্ৰতিশোধ লোৱাৰ সংকল্প গ্ৰহণ কৰিছে। হামাছে পেলেষ্টাইনৰ অসামৰিক লোকক আক্ৰমণৰ লক্ষ্য কৰি ল'লে বন্দী কৰি ৰখা ইজৰাইলৰ নাগৰিকক হত্যা কৰা হ'ব বুলি ভাবুকি প্ৰদান কৰিছে। ইপিনে, ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিঅ' গুটেৰেছে কৈছে যে, ৰাষ্ট্ৰসংঘৰ উদ্ধাৰ আৰু কাৰ্যসংস্থাৰ শিবিৰত প্ৰায় ১ লাখ ৩৭ হাজাৰ লোকে আশ্ৰয় লৈ আছে। সংস্থাটোৱে পেলেষ্টাইনলৈ অত্যাৱশ্যকীয় সেৱা যোগান ধৰি আহিছে। ইউনিছেফে সংঘৰ্ষজৰ্জৰ এলেকাত মানৱীয় স্থিতি ক্ষিপ্ৰতাৰে বেয়াৰ পিনলৈ ঢাল খোৱা বুলি সকীয়াই দিছে। সংস্থাটোৱে কৈছে যে, শিশু আৰু পৰিয়ালৰ বাবে জীৱনৰক্ষী সেৱা আৰু যোগান উপলভ্য কৰোৱাৰ বাবে নিৰাপদ পথৰ ব্যৱস্থা কৰাৰ আৱশ্যকতা আছে। ইউনিছেফৰ কাৰ্যবাহী সঞ্চালক কেথৰিন ৰাছেলে যোৱানিশা সংঘৰ্ষৰত সকলো পক্ষকে এনে পৰিস্থিতিৰ পৰা শিশুসকল সৰ্বাধিক প্ৰভাৱিত হয় বুলি সোঁৱৰাই দিছে। তেওঁ কয় যে, গাজাত পণবন্দী কৰি ৰখা শিশুসকলক ততালিকে মোকলাই দিয়া উচিত যাতে, তেওঁলোকে পৰিয়াল অথবা পৰিচৰ্যাকাৰীক সাক্ষাৎ কৰিব পাৰে। গাজা অঞ্চলত বিদ্যুৎ, খাদ্য আৰু পানীৰ যোগান বন্ধ কৰাৰ বাবে লোৱা ব্যৱস্থাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি তেওঁ কয় যে, এনে ব্যৱস্থাই শিশুসকলৰ জীৱনলৈ শংকা কঢ়িয়াই আনিব।

০০০০

আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস। মানসিক স্বাস্থ্যৰ বিষয়ে সজাগতা সৃষ্টি আৰু ইতিবাচক পৰিৱৰ্তনৰ বাবে প্ৰতিবছৰে ১০ অক্টোবৰৰ দিনটোত এই দিৱস পালন কৰা হয়। এইবছৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **মানসিক স্বাস্থ্য সাৰ্বজনীন মানৱ অধিকাৰ**। জ্ঞানৰ প্ৰসাৰ আৰু সাৰ্বজনীন মানৱ অধিকাৰ হিচাপে প্ৰতিগৰাকী ব্যক্তিৰ মানসিক স্বাস্থ্যৰ সুৰক্ষাৰ সৈতে জড়িত কাম-কাজক আগুৱাই লৈ যোৱাই ইয়াৰ মূল উদ্দেশ্য।

১৯৯২ চনত ৰিচাৰ্ড হাণ্টাৰৰ নেতৃত্বত বিশ্ব মানসিক স্বাস্থ্য সংস্থাই ১০ অক্টোবৰৰ দিনটো বিশ্ব মানসিক স্বাস্থ্য দিৱস হিচাপে পালনৰ পৰামৰ্শ আগবঢ়াইছিল। ১৯৯৪ চনত সমগ্ৰ বিশ্বত মানসিক স্বাস্থ্যসেৱাৰ মান উন্নয়নৰ বিষয়বস্তুৰে প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছিল।

০০০০

সমগ্ৰ দেশতে মহিলা সন্মান সঞ্চয় প্ৰমাণপত্ৰ ২০২৩ৰ অধীনত ১১ হাজাৰ কোটিৰো অধিক টকাৰ ১৮ লাখৰো অধিক একাউণ্ট মুকলি কৰা হৈছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰালয়ে কয় যে, মহিলা সন্মান সঞ্চয় প্ৰমাণপত্ৰৰ নতুন আঁচনিখন চলিত বৰ্ষৰ ১ এপ্ৰিলত আৰম্ভ কৰা হৈছিল। দুই বছৰীয়া এই আঁচনিত তিনিমাহৰ

মূৰত ৭ দশমিক ৫ শতাংশ হাৰত সুদ প্ৰদান কৰা হয়। এই আঁচনিখন ২০২৫ বৰ্ষৰ ৩১ মাৰ্চলৈকে থাকিব। মন্ত্ৰালয়ে আৰু কয় যে, দিল্লীত ৪০৫ কোটি টকা মূল্যৰ ৩৩ হাজাৰৰো অধিক একাউণ্ট মুকলি কৰা হৈছে।

০০০০

ইংলেণ্ড সম্প্ৰতি হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশৰ সন্মুখীন হৈছে। ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৩৮ অভাৰত দুটা উইকেটৰ বিনিময়ত ২৭৯ ৰান সংগ্ৰহ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে অধিনায়ক চাকিব আল হাছানে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন কিছুসময় পাছত আৰম্ভ হ'ব। ইপিনে, নিউজিলেণ্ডে কালি হায়দৰাবাদত অনুষ্ঠিত লীগ পৰ্যায়ৰ এখন খেলত নেদাৰলেণ্ডছক ৯৯ ৰানত পৰাস্ত কৰে। নেডাৰলেণ্ডছে ৩২৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৬ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ৩২২ ৰান সংগ্ৰহ কৰে। ইপিনে, ভাৰতীয় ক্ৰিকেট দল কাইলৈ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আফগানিস্তানৰ সন্মুখীন হ'ব। খেলখনত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতীয় দল ইতিমধ্যে দিল্লীত উপস্থিত হৈছে।

০০০০০

০০০০

# সমাপ্ত